# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 20-05-2025

**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::::**

১।	সুৰক্ষিত সমাজ গঢ়াৰ ক্ষেত্ৰত জনসাধাৰণকেন্দ্ৰিক আৰক্ষী বাহিনীৰ বিশেষ ভূমিকা আছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২।	অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰবল বৰষুণৰ বাবে ভাৰতীয় বতৰ বিজ্ঞান প্ৰতিষ্ঠানৰ য়েল্ল’ এলাৰ্ট জাৰি।

৩।	এন ডি এফ বিৰ প্ৰাক্তন সদস্যৰ বিৰুদ্ধে চলি থকা গোচৰ প্ৰত্যাহাৰ প্ৰক্ৰিয়াৰ অংশ হিচাপে সংগঠনটোৰ ৩৫ জন সদস্যক আজি গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ পৰা কোকৰাঝাৰ জিলা আৰু ছেছন আদালতলৈ প্ৰেৰণ।

৪।	অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ বীৰ সৈনিকসকলৰ বীৰগাথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি স্থল সেনা বাহিনীৰ অৱসৰপ্ৰাপ্ত বিষয়া দ্বিজেন্দ্ৰ নাথ শৰ্মাৰ অভিমত।

**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ, ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০

ৰাজ্যখনত আইন শৃংখলা পৰিস্থিতি শক্তিশালী  কৰি তোলাৰ লগতে জৰুৰীকালিন সঁহাৰি ব্যৱস্থা অধিক সক্ৰিয় কৰি তোলাৰ কৌশল বিকাশৰ লক্ষ্যৰে আজি দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত আৰক্ষী অধীক্ষকৰ সন্মিলনৰ আয়োজন কৰা হয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত অংশগ্ৰহণ কৰি  এখন সুৰক্ষিত সমাজ গঢ়াৰ বাবে সহযোগিতাপূৰ্ণ, জনসাধাৰণকেন্দ্ৰীক আৰক্ষী বাহিনীৰ বিশেষ ভূমিকা আছে বুলি মন্তব্য কৰে। এই সন্মিলনত কৰা আলোচনাই অধিক সুৰক্ষিত আৰু নিৰাপদ অসম গঢ়াৰ ক্ষেত্ৰত সহায় কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।  উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পাছতে ডঃ শৰ্মাই প্ৰতি ছমাহত অসম আৰক্ষী অধীক্ষকৰ সন্মিলন অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছিল। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত আইনৰ শাসন সুনিশ্চিত কৰাৰ বাবে আৰক্ষী অধীক্ষকসকলক লক্ষ্য স্থিৰ কৰি দিছিল। এই সন্মিলনত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই বিভিন্ন জিলাৰ আৰক্ষী অধীক্ষকসকলৰ পৰা বিগত সময়ছোৱাৰ কাম-কাজ আৰু আইন-শৃংখলা পৰিস্থিতি সম্পৰ্কীয় সবিশেষ তথ্য গ্ৰহণ কৰে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকী আজি গোলাঘাট জিলাৰ খুমটাইৰ বৰুৱাবামুনগাওঁৰ পৰিত্যক্ত অসম সমবায় চেনিকলৰ স্থান পৰিদৰ্শন কৰে। ডঃ শৰ্মাই এই পৰিত্যক্ত ভূমিৰ চাৰিওকাষে পকী বেৰ নিৰ্মাণ কৰি পৰৱৰ্তী সময়ত উদ্যোগ স্থাপনৰ ব্যৱস্থা কৰা হ’ব বুলি প্ৰকাশ কৰে। তেওঁ লগতে এতিয়াও চেনিকলৰ আৱাসসমূহত বসবাস কৰি থকা কমেও ২০ টা পৰিয়ালক পুনৰ সংস্থাপন দিয়া হ’ব বুলি আশ্বাস দিয়ে। এডভান্টেজ আচামৰ দ্বিতীয় সংস্কৰণত গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে এই উদ্যোগ স্থাপনত অগ্ৰাধিকাৰ দিয়া হৈছে বুলি তেওঁ কয়। এই স্থানত

উদ্যোগীকৰণৰ জৰিয়তে অঞ্চলটো অৰ্থনৈতিক দিশৰ উল্লেখযোগ্য কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

বাইট

উল্লেখযোগ্য যে ১৯৫৫ চনত সমবায় হিচাপে মুকলি কৰা বৰুৱাবামুনগাওঁৰ চেনীকলটো দীঘলীয়া সময় ধৰি কাৰ্যক্ষম হৈ আছিল। ১৯৯৬ চনত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰা চেনীকলটো ৫৫০ বিঘা ভূমি পৰিত্যক্ত হৈ আছে। ০০০০

০০০০

অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰবল বৰষুণৰ বাবে ভাৰতীয় বতৰ বিজ্ঞান প্ৰতিষ্ঠানে য়েল্ল' এলাৰ্ট জাৰি কৰিছে। অসমৰ বিভিন্ন স্থানত অহা দুই-তিনিদিনলৈ নেৰানেপেৰা বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে। যোৱা মাজনিশাৰে পৰা গুৱাহাটী মহানগৰী আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত প্ৰবল বৰষুণ হয়। মহানগৰীৰ কোনো কোনো অংশত ১০০ৰ পৰা ১১২ দশমিক ৫ মিলিমিটাৰ পৰ্যন্ত বৰষুণ হয়। বৰষুণৰ ফলত গুৱাহাটীৰ বিস্তীৰ্ণ অঞ্চল প্লাৱিত হোৱাৰ লগতে অসমৰ সৈতে মেঘালয় আৰু আন কেইবাখনো ৰাজ্যক সংযোগ কৰা **২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ**ৰ এছোৱা খানাপাৰাত প্লাৱিত হোৱাৰ ফলত যোগাযোগ ব্যৱস্থা প্ৰভাৱিত হৈছে। বতৰ বিজ্ঞান প্ৰতিষ্ঠানে জনোৱা মতে ৰাজ্যৰ পশ্চিম আৰু দক্ষিণ অংশত অতিবৃষ্টি হোৱাৰ সম্ভাৱনা থকাৰ লগতে কিছু অঞ্চলত ২০০ মিলিমিটাৰলৈকে বৰষুণ হোৱাৰ সম্ভাৱনা আছে। গুৱাহাটী মহানগৰীৰ চানমাৰি, জু-ৰোড, হাতীগাঁও, ৰুক্মিনীগাঁও, অনিল নগৰ, নবীন নগৰকে ধৰি বিভিন্ন অঞ্চল পানীত বুৰ যোৱাৰ লগতে ঠাই বিশেষে গছ উভালি পৰা তথা ভূমিস্খলনৰ আশংকা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত প্ৰশাসনে পৰিস্থিতি পৰ্যবেক্ষণ কৰি থকাৰ লগতে জৰুৰীকালীন সেৱাসমূহ সাজু কৰি ৰাখিছে।

গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি মহানগৰীৰ কেইবাটাও স্থানত কৃত্ৰিম বানৰ সমস্যাৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে বেলতলা, ছাৰ্ভে, বশিষ্ঠ আদি অঞ্চল পৰিদৰ্শন কৰি পানী উলিয়াই নিয়া ব্যৱস্থাসমূহ নিৰীক্ষণ কৰে। মেঘালয়ৰ পৰা নামি অহা পানীয়ে কৃত্ৰিম বানৰ সমস্যা গভীৰ কৰি তুলিছে বুলি উল্লেখ কৰি শ্ৰীমল্লবৰুৱাই এই সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰে ৰাষ্ট্ৰীয় ঘাইপথৰ কাষে কাষে গুৰুদ্বাৰা হৈ পামহিলৈকে পানী বোৱাই নিয়াৰ বাবে পৰিকল্পনা যুগুত কৰা হৈছে বুলি মন্তব্য কৰে।

০০০০

যোৱা মাজনিশাৰে পৰা হোৱা প্ৰবল বৰষুণৰ ফলত পশ্চিম কাৰ্বি আংলঙৰ ডেৰাগাঁৱৰ সমীপৰ বৈঠালাংছ'-হামৰেণ সংযোগী পথৰ সোঁমাজত গছ বাগৰি পৰাৰ ফলত পথ যোগাযোগ ব্যাহত হয়। ডিব্ৰুগড় জিলাত সম্ভাব্য বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ অধীনত অহা জুন আৰু জুলাইৰ চাউল আগতীয়াকৈ আৱণ্টন দিছে। এই আৱণ্টন প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ ডিব্ৰুগড় যোগান বিভাগৰ এটা দলে আজি ভাৰতীয় খাদ্য নিগমৰ চাউলখোৱাত থকা গুদাম পৰিদৰ্শন কৰে। দলটোৱে সকলো পৰিবহণকাৰীক নিৰ্ধাৰিত সময়ৰ ভিতৰত চাউল সংগ্ৰহৰ কাম সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত সহায় হ'বলৈ পৰ্যাপ্ত ট্ৰাকৰ যোগান ধৰাৰ বাবে এটা নিৰ্দেশ জাৰি কৰে।

জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই আজি কলিয়াবৰৰ হাতীমূৰা মথাউৰি পৰিদৰ্শন কৰি পূৰ্বৰ ভগ্ন মথাউৰি অংশৰ পুনৰ নিৰ্মাণৰ কামৰ বুজ লয়। জিলাখনৰ জনসাধাৰণক বানৰ পৰা সকাহ দিয়াৰ লক্ষ্যৰে কলং খননৰ কাম শীঘ্ৰেই আৰম্ভ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সদৰ হাটশিঙিমাৰীৰ খাৰুৱাবান্ধা আৰক্ষী চকীকে ধৰি ভালেমান অঞ্চল জলমগ্ন হৈ থকাৰ বাতৰি পোৱা গৈছে। জিলাখনৰ শান্তিপুৰ আৰু মহামায়া নগৰৰ শতাধিক বাসগৃহ কৃত্রিম বানত বুৰ যায় বুলি আমাৰ হাটশিঙিমাৰীৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

এন ডি এফ বিৰ প্ৰাক্তন সদস্যৰ বিৰুদ্ধে চলি থকা গোচৰ প্ৰত্যাহাৰ প্ৰক্ৰিয়াৰ অংশ হিচাপে ৩৫ জন এন ডি এফ বিৰ সদস্যক আজি গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ পৰা কোকৰাঝাৰ জিলা আৰু ছেছন আদালতলৈ অনা হয়। চিবিআই আৰু এন আই এ-ৰ বিশেষ আদালতত বিচৰাধীন গোচৰ সংশ্লিষ্ট জিলা আৰু ছেছন আদালতলৈ স্থানান্তৰ কৰাৰ সিদ্ধান্ত অনুযায়ী এই বিচৰাধীন এন ডি এফ বিৰ সদস্যকেইজনক কোকৰাঝাৰৰ আদালতত হাজিৰ কৰোৱা হয়। আমাৰ কোকৰাঝাৰৰ সংবাদদাতা প্ৰীতম ব্ৰহ্ম চৌধুৰীয়ে জনোৱা অনুসৰি ২০২০ চনৰ বড়ো শান্তি চুক্তিৰ চৰ্ত অনুযায়ী প্ৰাক্তন এন ডি এফ বিৰ সদস্যসকলৰ বিৰুদ্ধে থকা গোচৰসমূহৰ আইনী নিষ্পত্তিৰ বাবে অসম চৰকাৰ, কেন্দ্ৰ চৰকাৰ আৰু বিটিচি প্ৰশাসনৰ ত্ৰিপাক্ষিক প্ৰচেষ্টাৰ অংশ হিচাপে গোচৰসমূহ এইদৰে জিলা আৰু ছেছন আদালতলৈ স্থানান্তৰিত কৰা হৈছে।

০০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সেনা বাহিনীয়ে লাভ কৰা সফলতাৰ পটভূমিত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰৰ শৃংখলাত আজি আমি লগ পাওঁ আহক **স্থল সেনা বাহিনীৰ অৱসৰপ্ৰাপ্ত বিষয়া দ্বিজেন্দ্ৰ নাথ শৰ্মাক**। নগাওঁৰ সমীপৰ উড়িয়া গাওঁ নিবাসী এই অৱসৰপ্ৰাপ্ত সামৰিক বিষয়াগৰাকীয়ে কাৰ্গিল যুদ্ধৰ অভিজ্ঞতা আৰু অপাৰেচন সিন্দূৰৰ কাৰ্যকৰিতা সন্দৰ্ভত আমাৰ নগাওঁৰ সংবাদদাতাৰ আগত এই মত ব্যক্ত কৰে। –

***(বাইট)***

০০০০

ভাৰতীয় আৰক্ষী সেৱাৰ জ্যেষ্ঠ বিষয়া তথা বৰ্তমান ইণ্টেলিজেন্স ব্যুৰোৰ সঞ্চালক তপন ডেকাৰ কাৰ্যকাল কেন্দ্ৰীয় চৰকাৰে আৰু এবছৰলৈ বৃদ্ধি কৰিছে। কেন্দ্ৰীয় কৰ্মচাৰী প্ৰশাসন আৰু প্ৰশিক্ষণ মন্ত্ৰালয়ৰ অধীনস্থ কেবিনেট আৰু এষ্টাব্লিছমেণ্ট বিষয়া নিযুক্তি কমিটিয়ে আজি নতুন দিল্লীত জাৰি কৰা অধিসূচনা অনুযায়ী শ্ৰীডেকাৰ কাৰ্যকাল অহা ৩০ জুনৰ পৰা কাৰ্যকৰী হোৱাকৈ এবছৰ বৃদ্ধি কৰা হৈছে।

০০০০

ৰাজ্য চৰকাৰৰ গৃহ বিভাগে অসম আৰক্ষীৰ পূৰ্ণ পৰ্যায়ৰ সঞ্চালক প্ৰধান হিচাপে হৰমিত সিঙক নিযুক্তি প্ৰদান কৰিছে। পূৰ্বৰ আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙৰ বদলিৰ পাছত অসম চৰকাৰে হৰমিত সিঙক ভাৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধানৰ দায়িত্ব অৰ্পন কৰিছিল। ৰাজ্য চৰকাৰে আজি শ্ৰীসিঙক পদোন্নতিৰে পূৰ্ণ পৰ্যায়ৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়ে।

০০০০

নগাওঁ জিলাৰ হয়বৰগাওঁ ৰে'ল ষ্টেছনৰ লগতে দেশৰ মুঠ ১০৩ টা ৰে'ল ষ্টেছনক পৰহিলৈ অমৃত ভাৰত ষ্টেছনলৈ উন্নীত কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে ষ্টেছনকেইটা মুকলি কৰিব। উত্তৰ-পূৰ সীমান্ত ৰে'লৱেৰ জনসম্পৰ্কৰক্ষী বিষয়াই আজি নগাওঁত এখন সংবাদমেলযোগে এই বিষয়ে প্ৰকাশ কৰে। পৰহিলৈ এই উপলক্ষে হয়বৰগাওঁ ৰে'ল ষ্টেছনত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে অমৃত ভাৰত ষ্টেছন আঁচনিৰ অধীনত, ১৮৮৭ চনতে স্থাপিত হয়বৰগাঁও ষ্টেছনক আধুনিক

ৰূপত সজাই তোলা হৈছে। অমৃত ভাৰত ষ্টেছনসমূহত দুয়োফালৰ পৰা যাত্ৰী প্ৰৱেশৰ সুবিধা, যাত্ৰীৰ বাবে পদসেঁতু, দিব্যাংগৰ বাবে উপযোগী সা-সুবিধা, বিনামুলীয়া ৱাই ফাইৰ সুবিধাৰ লগতে ষ্টেছনসমূহত শ্বপিংমল আৰু ইণ্টাৰনেট কেফেৰ সুবিধা থাকিব। তদুপৰি নতুনকৈ নিৰ্মাণ কৰা ষ্টেছনসমূহত স্থানীয় সংস্কৃতি প্ৰতিফলিত হোৱাকৈ বিভিন্ন প্ৰতিকৃতি আৰু আলোকচিত্ৰৰ সমাহাৰ ঘটিব।

০০০০

গুৱাহাটী মহানগৰীক বানমুক্ত কৰাৰ লক্ষ্যৰে গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে আজি শিলসাঁকোৰ অমিয় কুমাৰ দাস সামাজিক পৰিৱৰ্তন আৰু উন্নয়ন প্ৰতিষ্ঠান শীৰ্ষক এখন শিক্ষা প্ৰতিষ্ঠান উচ্ছেদ কৰে। গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াৰ উপস্থিতিত অসম চৰকাৰৰ গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই উচ্ছেদ অভিযান তদাৰক কৰে। শ্ৰীমল্লবৰুৱাই  শিলসাঁকোক বৃহৎ জলাশয় হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে এই উচ্ছেদ অভিযান চলোৱা হৈছে বুলি উল্লেখ কৰি কয়, যে অহা ৩০ মে'ত শিলসাঁকোত থকা সমবায় প্ৰতিষ্ঠানখন উচ্ছেদ কৰা হ'ব। পৰৱৰ্তী সময়ত ইয়াত থকা এখন হোটেল মেনেজমেণ্ট প্ৰতিষ্ঠান, টেনিছ ক'ৰ্ট আৰু জিঞ্জাৰ নামৰ হোটেলখন উচ্ছেদ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে এই অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ উচ্ছেদৰ পাছত খৰালি শিলসাঁকো বিলখন বহলকৈ খন্দাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ ফলত গুৱাহাটী মহানগৰীত কৃত্ৰিম বানৰ সমস্যা যথেষ্ট লাঘৰ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা ব্যক্ত কৰে।

**বাইট (জয়ন্ত মল্লবৰুৱা)**

০০০০

মণিপুৰৰ উখৰুল জিলাত আজিৰে পৰা ৫ দিনীয়া কাৰ্যসূচীৰে  ৰাজ্যিক পৰ্যায়ত পঞ্চম শ্বিৰুয়ি লিলি মহোৎসৱৰ আয়োজন কৰা হৈছে। ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই আজি চিৰুয়ি গাঁওৰ হেৰিটেজ গ্ৰাউণ্ডত আয়োজিত অনুষ্ঠানত এই মহোৎসৱৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত দিয়া ভাষণত ৰাজ্যপালগৰাকীয়ে এই মহোৎসৱৰ ভৌগলিক আৰু সাংস্কৃতিক গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। এই মহোৎসৱ মণিপুৰত পোৱা দুস্প্ৰাপ্য প্ৰজাতিৰ শ্বিৰুয়ি লিলি ফুলৰ সংৰক্ষণ আৰু ইয়াৰ জনপ্ৰিয়কৰণৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ বুলি তেওঁ মন্তব্য  কৰে। এইবাৰ এই প্ৰজাতিৰ ফুলবিধৰ আৱিস্কাৰৰ ৭৫ বছৰ পূৰ্ণ হৈছে  বুলি উল্লেখ কৰি এয়া ৰাজ্যখনৰ ভৌগলিক আৰু প্ৰাকৃতিক ক্ষেত্ৰৰ বাবে গুৰুত্বপূৰ্ণ বুলি তেওঁ মন্তব্য কৰে। ইম্ফল নগৰীৰ পৰা ৮০ কিলোমিটাৰ দূৰৈত উখৰুল জিলাত আয়োজিত এই মহোৎসৱৰ বাবে ৰাজ্যখনত কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ লগতে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মহোৎসৱ উপলক্ষে অঞ্চলটোলৈ বহু লোকৰ সমাগম হৈছে। মহোৎসৱৰ অংশ হিচাপে ক্ৰীড়া, সাহিত্য, দুঃসাহসিক ক্ৰীড়া আৰু অন্যান্য অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

০০০০

ডিব্ৰুগড় জিলাৰ মদাৰখাট হাটখোলা গাঁৱৰ উদীয়মান যুৱক, অসম গণ পৰিষদ দলৰ সক্ৰিয় সদস্য দেৱজিত দত্তৰ যোৱানিশা হৃদযন্ত্ৰ ক্ৰিয়া বন্ধ হৈ দেহাৱসান ঘটে। এটা ব্যক্তিগত বৈদ্যুতিন চেনেলত সংবাদদাতা ৰূপেও কাৰ্যনিৰ্বাহ কৰা দেৱজিত দত্তৰ মৃত্যুৰ সময়ত বয়স আছিল ৪৮ বছৰ।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত আজি হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০

সমাপ্ত